অসমীয়া জাতি বুলিলে কোন জনসমষ্টিক বুজায় ? অসমীয়া নামৰ এটা বিশেষ নৃ-গোষ্ঠী আছেনে ?

অসমীয়া জাতি আৰু অসমীয়া ভাষা-সংস্কৃতিৰ সম্পৰ্কে আলোচনা কৰিবলৈ ল'লেই এনে প্ৰশ্নৰ সন্মুখীন হ'বলগীয়া হয়। জাতিৰ পৰিচয় প্ৰধানকৈ ভাষা আৰু স্থানৰ ভিত্তিত দেখুওৱা হয়। আধুনিক কালত ৰাষ্ট্ৰৰ নামানুসৰি জাতিৰ পৰিচয় দিয়াৰ প্ৰথা চলিছে। কিন্তু, তত্ৰাচ ভাষা-সংস্কৃতিৰ পৰিচয়ৰ ভেটি এতিয়াও সুদৃঢ় হৈ আছে আৰু তাৰে ভিত্তিত বিভিন্ন জাতিসত্তাই নিজৰ পৰিচয় প্ৰতিষ্ঠা কৰিছে ; বৰং ক'ব পাৰি, এনে পৰিচয় প্ৰতিষ্ঠাৰ প্ৰৱণতা বৃদ্ধি পাইছে।

ষ্টেলিনে জাতিৰ পৰিচয় প্ৰধানতঃ একেটা এলেকা, একেটা ভাষা, সদৃশ মানসিকতা প্ৰকাশ কৰা সাংস্কৃতিক কৰ্ম আৰু সদৃশ অৰ্থনৈতিক ভেটিৰ ওপৰত প্ৰতিষ্ঠিত হোৱা বুলি দেখুৱাই গৈছে। যদি মাৰ্ক্সীয় দৃষ্টিভঙ্গীৰেও চোৱা হয়—ভাষা আৰু সংস্কৃতিৰ পৰিচয় জাতিৰ এটা প্ৰধান পৰিচয়ৰূপে পোৱা যায়।

অসমীয়া জাতিসত্তা স্বৰূপাৰ্থতে এই বিশিষ্ট ভৌগোলিক অঞ্চলত বসবাস কৰিবলৈ আহি থিতাপি লোৱা বিভিন্ন নৃ-গোষ্ঠীৰ প্ৰজাতীয় উপাদানেৰে নিৰ্মিত হৈছে। ইতিহাসে চুকি পোৱাৰ বহু আগৰেপৰা প্ৰব্ৰজন কৰি অহা বিভিন্ন প্ৰজাতিৰ মানুহে সদৃশ ভাষা-সংস্কৃতি আৰু অৰ্থনৈতিক বুনিয়াদ গঢ়ি তুলিছে শ-শ বছৰৰ যত্নেৰে, আৰু এনেভাৱেই তেওঁলোকে এটা বহল জাতিসত্তাৰ মাজত নিজৰ পৰিচয় প্ৰতিষ্ঠা কৰিছে।

নৃ-তাত্ত্বিক বিচাৰেৰে চালে দেখা যায়—অসমীয়া মানুহৰ সৰহ সংখ্যকেই আৰ্যেতৰ গোষ্ঠীসম্ভূত। ড° ভুবনমোহন দাসে কৰা এটি বিশ্লেষণত দেখুওৱা হৈছে যে আনকি অসমীয়া ব্ৰাহ্মণসকলৰ মাজতো আৰ্য-উপাদান শতকৰা চল্লিছভাগহে আছে; কিন্তু অসমীয়া ভাষা আৰু সংস্কৃতিৰ লগত আৰ্য ভাষা আৰু সংস্কৃতিৰ গভীৰ সম্পৰ্ক বিদ্যমান। অৱশ্যেই অসমীয়া ভাষা আৰু সংস্কৃতিত আৰ্যেতৰ উপাদান কম নহয়। তথাপি ক'বলৈ গ'লে, আৰ্যেতৰ ভাষা-সংস্কৃতিৰ উপাদানে যদি অসমীয়া ভাষা-সংস্কৃতিৰ তেজ-মঙহ সৃষ্টি কৰিছে, আৰ্য ভাষা-সংস্কৃতিয়ে তাত প্ৰাণ-স্পন্দন দান কৰিছে; অৰ্থাৎ অসমীয়া জাতিৰ দৰেই অসমীয়া ভাষা-সংস্কৃতিও তিব্বেতো-বাৰ্মান আৰু ইণ্ডো-এৰিয়ান গোষ্ঠীসমূহৰ সংমিশ্ৰণত গঢ় লৈ উঠিছে। অসমীয়া জাতি, ভাষা আৰু সংস্কৃতিৰ মৌলিক উপাদানবোৰক সেইবাবে ইটোৰপৰা সিটোক সম্পূৰ্ণ বিচ্ছিন্ন কৰি চাব নোৱাৰি। জন্ মেক্‌কোশ্বে ১৮৩৭ খৃষ্টাব্দত প্ৰকাশ কৰা 'টপ'গ্ৰাফী অব আছাম' নামৰ পুথিৰ (পৃঃ ২১) 'পিপল্' ছেদত কৈছে যে অসমত উচ্চবৰ্ণৰ মৰ্যাদা কোনেও কঠোৰভাৱে ৰক্ষা কৰা নাছিল, যাৰ ফলত ভাৰতৰ অন্যান্য ঠাইতকৈ ইয়াৰ বাসিন্দাসকলৰ মাজত মিলা-প্ৰীতি অধিক। তেওঁ ধাৰণা কৰিছিল যে ইয়াৰ সৰহ সংখ্যক মানুহেই পৰ্বতৰপৰা অহা বিভিন্ন 'ট্ৰাইব' বা প্ৰজাতিৰপৰা হৈছে। তেওঁৰ মতে, "Indeed these tribes form so large a share of the population, that it is not easy matter to distinguish the pure Assamese amongst them, and the distinction is rendered still more obscure by intermarriages with some of the hill tribes." এই কথাই এটি বিষয় স্পষ্ট কৰি দিছে যে অসমীয়া জাতি বৰ্তমান অসমৰ চতুষ্পাৰ্শ্বৰ বিভিন্ন নৃ-গোষ্ঠীৰ উপাদানেৰে গঢ়ি উঠিছে।

প্ৰাগৈতিহাসিক কালত এই ৰাজ্যৰ প্ৰকৃত অধিবাসী কোন আছিল, তেওঁলোকৰ ভাষিক-সাংস্কৃতিক-গোষ্ঠীগত পৰিচয়েই বা কি

আছিল সেই কথা কোৱা টান। এই ঠাইলৈ কোন কোন গোষ্ঠীৰ প্ৰব্ৰজন ঘটিছিল—সেই কথাৰ আঁত উলিয়াব পাৰিলেই অসমীয়া জাতিৰ মৌলিক পৰিচয়ৰ ধাৰণা কৰিব পৰা হ'ব। তাৰ আগতে চোৱা যাওক—যিটো নামেৰে আজি আমি পৰিচয় দিছোঁ সেই নামটোৰেই বা উৎপত্তিৰ গুৰি ক'ত।

'অসম' নামটো আহোমসকলৰ ৰাজত্ব প্ৰতিষ্ঠাৰ পিছৰপৰা হোৱা নাম। গতিকে ত্ৰয়োদশ শতিকাৰ আগলৈকে এই ৰাজ্যখনৰ নাম অসম নাছিল আৰু আমাৰ পূৰ্ব-পুৰুষসকলেও নিজকে 'অসমীয়া' বুলি পৰিচয় দিয়া নাছিল। ড° সুনীতিকুমাৰ চট্টোপাধ্যায়ে তেওঁৰ 'কিৰাট জনকৃতি' গ্ৰন্থত (২য় সংস্কৰণ, পৃঃ ৫১) উল্লেখ কৰিছে: "...within historical times, another Mongoloid people, this time not of Tibeto-Burman, but Siamese-Chinese speech, entered into the North-Eastern Assam from Burma through the Patkai range along the Noa-Dihang river. They were the Asams or Ahams (Ahoms), the people who gave their name to the province of Assam." ড° চট্টোপাধ্যায়ে তেওঁৰ The place of Assam in the history and civilisation of India শীৰ্ষক বাণীকান্ত সোঁৱৰণী বক্তৃতামালাৰ দ্বিতীয় বক্তৃতাত কৈছে: "...বিজেতা আহোমসকলে যেতিয়া পূব অসমলৈ সোমাইছিল, তেতিয়া পুৰণি অসমীয়া (অসমীয়া নামটো তেতিয়া নাছিল) ভাষী হিন্দু আৰু বড়ো আদি আনসকলে 'আহোম' শব্দটো বিদেশী জনজাতীয় শব্দ বুলি সঠিককৈ বুজা নাছিল। সেইবাবে সংস্কৃত 'অ-সম'ৰ-পৰা আহোম শব্দৰ উৎপত্তি হৈছে বুলি ভাবি আহোম শব্দটো শুধৰাই অসম কৰিলে আৰু আহোমসকলে জয় কৰি আত্মপ্ৰতিষ্ঠা লাভ কৰা দেশখনকো অসম—আসাম—এই নামেৰে বুজোৱা হ'ল।" (অসমীয়া সংস্কৃতি, ২য় সংস্কৰণ, পৃঃ ২৭২)। অৱশ্যে 'অসম' শব্দৰ

উৎপত্তি সম্পৰ্কে ভিন্ন মত থাকিলেও আহোমসকলৰপৰাইযে ই ওলাইছে সেই সম্পৰ্কে সন্দেহ নাই। ডিম্বেশ্বৰ নেওগে শ্যাম শব্দৰ লগত নঞাৰ্থক 'অ' (যেনে—অকুমাৰী, অবিহনে) লগ লাগি আশ্যাম হৈছে বুলি ভাবে (অসমীয়া সাহিত্যৰ বুৰঞ্জী, পৃঃ ৩)। ৰাজমোহন নাথে শ্যাম-সকলে দখল কৰা ঠাই অৰ্থত বড়োসকলে হা-শ্যান বোলাৰপৰা আশ্যান, আছাম, আসাম হৈছে বুলি ভাবে (বেক্‌গ্ৰাউণ্ড্ অব আছামিজ কালচাৰ, প্ৰথম সংস্কৰণ, পৃঃ ১৭)।

দেখা যায় —অসম, আসাম, আসম—নামটো প্ৰথম অৱস্থাত জাতি-বাচকৰূপেহে ব্যৱহৃত হৈছিল। ষোড়শ/সপ্তদশ শতিকাত ৰচিত দৰং ৰাজবংশাৱলী, কথা গুৰুচৰিত আদিত এই অৰ্থতেই ব্যৱহৃত হৈছিল। গতিকে দেশৰ নাম হিচাপে অসম শব্দৰ প্ৰয়োগ প্ৰাচীন নহয় (ডিম্বেশ্বৰ নেওগ, অ. সা. বু., পৃঃ ৩)। প্ৰাগ্‌জ্যোতিষপুৰ আৰু কামৰূপ—এই দুয়োটা নামৰ ব্যৱহাৰেই আছিল প্ৰাচীন। এই দুয়োটা নামৰ ক্ষেত্ৰতো পিছৰ কালত সংস্কৃতীয়া অৰ্থ আৰোপ কৰিলেও দুয়োটা নামৰ উৎপত্তি আৰ্যেতৰ ভাষাহে। সিন্ধু-গঙ্গা উপত্যকাৰপৰা দক্ষিণ-পূব এছিয়াৰ বিভিন্ন ঠাইলৈ আৰ্য সভ্যতা প্ৰাগৈতিহাসিক কালতে বিয়পাৰ প্ৰমাণ আছে। সেইবাবে ভাৰতৰ পশ্চিম অঞ্চলৰ বহু ঠাইৰ নামৰ অনুকৰণত আৰ্য সভ্যতা বা হিন্দু সভ্যতাই পূবৰ বিভিন্ন ঠাইৰ নামকৰণ কৰি লৈছিল বোলা মতটিও এই ক্ষেত্ৰত প্ৰণিধান-যোগ্য।

ঐতিহাসিক লিপিৰ ভিতৰত তৃতীয়/চতুৰ্থ শতিকাৰ সমুদ্ৰগুপ্তৰ 'এলাহাবাদ স্তম্ভ'তেই প্ৰথমে কামৰূপৰ নাম পোৱা গৈছে: "সমতট-ডবাক-কামৰূপ-নেপাল-কৰ্তৃপুৰাদি প্ৰত্যন্ত-নৃপতিৰ্বীৰমালা"—ইত্যাদি। তাৰ পিছত বৰ্মণ বংশ, শালস্তম্ভ বংশ, পাল বংশ আদিৰ ৰাজত্বৰ ইতিহাস আৰম্ভ। এই ইতিহাসত ক্ৰমাৎ কামৰূপ নামৰ প্ৰয়োগেই প্ৰাধান্য লাভ কৰা দেখা যায়। হিউৱেনচাঙে তেওঁৰ ভ্ৰমণলিপিত 'কামলুপ'ৰ পৰিধি দহহেজাৰ 'লি' অৰ্থাৎ প্ৰায় সোতৰশ মাইল

বুলি উল্লেখ কৰিছে। ভাস্কৰবৰ্মাৰ নিধানপুৰ ফলিৰপৰা দ্বাদশ শতিকাৰ কানাই বৰশীবোৱা শিলালিপিলৈকে প্ৰাচীন কামৰূপৰ ৰাজনৈতিক আৰু ভৌগোলিক পৰিচয় বিস্তৃত। ভাস্কৰবৰ্মাৰ ৰাজ্যই পূবে প্ৰায় পৰশুকুণ্ডৰপৰা পশ্চিমে উত্তৰ-পূৰ্ব বঙ্গ আৰু ভোটান পৰ্বতমালাকো সামৰি লৈছিল। ত্ৰয়োদশ শতিকাত আহোমসকলৰ আগমনৰ সময়ত এই ৰাজ্যৰ সীমা সঙ্কুচিত হৈছিল। বৰ্তমানৰ অৰুণাচল অংশ, নগাপাহাৰ, মণিপুৰ, মিজোৰাম, ত্ৰিপুৰা, শ্ৰীহট্ট, খাচী-জয়ন্তীয়া আৰু গাৰোপাহাৰৰ অংশবিশেষ ৰাজনৈতিক অসমৰ বহিৰ্ভূত হৈছিল। আহোমসকলে পাটকাই পাৰ হৈ আহি চৰাইদেউত ৰাজধানী পতাৰ সময়ত ব্ৰহ্মপুত্ৰ উপত্যকা—চুতীয়া, ভূঞা, কছাৰী আৰু কমতা-পুৰ ৰাজ্যত বিভক্ত হৈ আছিল; কিন্তু এই চাৰিও ৰাজ্যৰ মানুহৰ ব্যৱহাৰিক ভাষা আছিল একেটা। কেৱল এয়ে নহয়, ৰাজনৈতিক অসমৰ সীমাৰ বাহিৰতো চতুষ্পাৰ্শ্বৰ আটাইবোৰ ঠাইৰ সংযোগী ভাষাও আছিল ব্ৰহ্মপুত্ৰ উপত্যকাৰ ভাষাটিয়েই। দেখা গ'ল—বিভিন্ন ৰাজনৈতিক শক্তিৰ অধীনত থাকিলেও চুতীয়া, ভূঞা, কোঁচ, কছাৰীৰ ৰাজ্যৰ মানুহৰ ভাষিক আৰু সাংস্কৃতিক পৰিচয় একেটা উমৈহতীয়া ভেটিৰ ওপৰত প্ৰতিষ্ঠিত। সেইবাবে এই উমৈহতীয়া ভাষাটোৱে বিভিন্ন গোষ্ঠীৰ পুৰণি সম্পদেৰে সমৃদ্ধ হ'বলৈ সুবিধা পাইছিল। উনবিংশ শতাব্দীৰ শেহৰ ফালে প্ৰকাশিত জে. ডি. এণ্ডাৰচনৰ 'কাছাৰী ফক্‌টেল্‌ছ এণ্ড্ ৰাইম'ৰ পাতনিত তেওঁ এটি বৰ গুৰুত্বপূৰ্ণ মন্তব্য কৰি কৈছে যে—"অসমীয়া আৰু বড়ো ভাষাৰ বাহিৰে পৃথিৱীত এনে কোনো দুটা ভাষা নাই যাৰ বাক্যগাঁথনি হুবহু মিলে।" দৰাচলতে অসমীয়া ভাষা কোনো এটা বিশেষ সম্প্ৰদায়ৰ ভাষা নহয়; বৰং সংমিশ্ৰণত গঢ়ি উঠা ই হ'ল এটা উমৈহতীয়া ভাষা। পিছলৈ এই ভাষাই সৰহসংখ্যক লোকৰ মাতৃভাষা হৈ পৰিল।

অসমীয়া নামৰ এই লোক-সমষ্টিৰ নৃ-তাত্ত্বিক পৰিচয়ো পূৰ্বতে উল্লেখ কৰি অহাৰ দৰে বিচিত্ৰ। অৱশ্যে নৃ-তাত্ত্বিক বিচাৰ কৰোঁতে ভাৰতীয়

পটভূমিত ৰাখি বিচাৰ কৰিলেহে ছবিখন বেছি পৰিষ্কাৰ হ'ব। বৰ্তমানৰ নৃ-তত্ত্ববিদ্‌সকলে মানৱগোষ্ঠীক (হম'ছেপিয়েন্স) চাৰিটা ভাগত ভগাইছেঃ ককেছীয়, মঙ্গোলীয়, নিগ্রো আৰু অষ্ট্ৰেলীয়। কোনো কোনোৱে অষ্ট্ৰেলীয়সকলক প্ৰত্ন-ককেছীয় স্বৰূপেও দেখুৱায়; কোনো কোনোৱে আকৌ প্ৰাক্-দ্ৰাবিড়, নিষাদ আদি নামেৰেও চিহ্নিত কৰিব খোজে। ড° বি. এছ. গুহই ভাৰতৰ জনগোষ্ঠীক—নেগ্রিটো, প্ৰাক্-অষ্ট্ৰেলীয়, মঙ্গোলীয়, তিব্বেতো-মঙ্গোলীয়, প্ৰাচীন মঙ্গোলীয়, ভূমধ্য সাগৰীয়, পশ্চিমীয়া বহলমূৰীয়া আৰু নৰ্ডিক—এইকেইটা ভাগত ভগাইছে। মঙ্গোলীয়, ভূমধ্য সাগৰীয় আৰু প্ৰশস্তমস্তিষ্কী-সকলৰ তিনিটাকৈ শাখাও তেওঁ নিৰ্দেশ কৰিছে। আলপাইনীয়-সকলো ইয়াৰে এটা শাখা। তেওঁ লগতে অৱশ্যে এই কথাও কৈছে, "বিভিন্ন গোটবোৰ ইটো সিটোৰ লগত ভালেখিনি সানমিহলি হৈ যোৱাৰ কাৰণে সেইবোৰক পোনপটীয়াকৈ পৃথক কৰিব নোৱাৰি।" তত্ৰাচ কিছুমান লক্ষণ খীণকৈ হ'লেও চকুত নপৰা নহয়।

এই গোষ্ঠীসমূহৰ ভিতৰত ভাৰতৰ আদিবাসী কোন? বহুতে দ্ৰাবিড়সকলক, কোনো কোনোৱে (গুহ, হাটন আদি পণ্ডিতে) নেগ্রিটোসকলক বুলি ক'ব খোজে। ড° আৰ. ডি. বেনাৰ্জীয়ে নেগ্রিটোসকল প্ৰত্নপ্ৰস্তৰ যুগত অহা বুলি আৰু এসময়ত আৰবৰপৰা চীনলৈকে বিয়পি আছিল বুলি ক'ব খোজে (প্ৰি-হিষ্টৰিক এণ্ড এনচিয়েণ্ট হিন্দু ইণ্ডিয়া, পৃঃ ৭)। আন কোনোৱে অষ্ট্ৰেলীয়সকলক আদিবাসী বুলি ক'ব খোজে। বিভিন্ন ঠাইত প্ৰাপ্ত নৰকঙ্কালসমূহেও এনে দাবী সমৰ্থন কৰে। আনটো গোষ্ঠী হ'ল মঙ্গোলীয়। এই গোষ্ঠী অষ্ট্ৰিকসকলৰ পিছত আহিছে। এই বিভিন্ন জনগোষ্ঠী আৰু আৰ্য-সকলৰ সংমিশ্ৰণেই ভাৰতৰ লোক-সমষ্টিৰ গাঁথনি নিৰ্মাণ কৰিছে। আনকি ড° সুনীতিকুমাৰ চট্টোপাধ্যায়ৰ মতে, "The peoples speaking Austric and Dravidian languages, through their interaction with those of Aryan speech, laid

the foundation of the 'Sanskrit' or ancient Hindu culture of India.···The Sino-Tibetan speaking Mongoloids were confined only to a part of India, namely its Northern and North-Eastern tracts, corresponding to the present day Nepal (particularly its centre and east) and the Sub-Himalayan areas, North Bihar, North Bengal, East Bengal and above all Assam." (Kirata Janakriti, 2nd Edn., p. 5).

অসমৰ জনগোষ্ঠীৰ পৰিচয় এই পটভূমিতেই বিচাৰ কৰা সম্ভৱ; কাৰণ, এই গোষ্ঠীবোৰে বিভিন্ন সময়ত প্ৰব্ৰজন কৰি আহি কেতিয়াবা অসমেদি ভাৰত সোমাইছিলগৈ আৰু কেতিয়াবা ভাৰতৰপৰা আহি অসম সোমাইছিল। অসমৰ জনগোষ্ঠীৰ মাজত অষ্ট্ৰিক, মঙ্গোলীয় আৰু নেগ্ৰিটোৰ উপাদান থকাৰ কথা বিভিন্ন পণ্ডিতে কৈছে; তাৰে অৱশ্যে নেগ্ৰিটোৰ পৰিচয় লুপ্ত। ভাষিক আৰু সাংস্কৃতিক উপাদানৰ-পৰা অষ্ট্ৰিকসকলৰ অৱস্থানৰ অনেক প্ৰমাণ আছে; কিন্তু নৃ-তাত্ত্বিক পৰিচয়ৰ অৱলুপ্তি সাধিত হৈছে। অষ্ট্ৰিকসকলৰ গাৰ বৰণ মুগা-হালধীয়া; তেওঁলোক কল্পনা-প্ৰৱণ, উদ্দাম আৰু ৰঙিয়াল আছিল। তেওঁলোকে ধানখেতি কৰিছিল; আৰু তামোল-পাণ ৰোৱা আৰু খোৱাৰ ব্যৱহাৰো তেওঁলোকৰপৰা অহা। তেওঁলোকৰ একোজন মুৰব্বী আছিল। পিছলৈ তেওঁলোক খোছো, চিনটেং, কোল, হো, গোণ্ড, মুণ্ডা আদি ভাগত বিভক্ত হৈছিল। বৰ্তমান অসমৰ চাহ-বাগিচাৰ অসমীয়া-সকলৰ মাজতেই কেৱল অষ্ট্ৰিক গোষ্ঠীৰ অৱস্থিতিৰ নৃ-তাত্ত্বিক উদাহৰণ আছে। কোনো কোনো পণ্ডিতৰ মতে মিজো আৰু খাচীসকলো অষ্ট্ৰিক ডালৰ। খাচী ভাষা অষ্ট্ৰিক গোষ্ঠীৰ হ'লেও মিজো আৰু খাচীসকল নৃ-তাত্ত্বিক বিচাৰত বিশাল মঙ্গোলীয় ফৈদৰহে। মৰাণ-সকলৰ মাজতো অষ্ট্ৰিক উপাদান থকাৰ কথা কোনো কোনো পণ্ডিতে

পৃঃ ২)। অসমৰ তিনিটা বিহু পালন, অশোকাষ্টমী আৰু অম্বুবাচী পালন তেওঁলোকৰপৰা অহা বুলিও কোৱা হয়।

অসমীয়া জনগোষ্ঠীৰ আটাইতকৈ প্ৰবল গোষ্ঠীটো হ'ল— মঙ্গোলীয়। মঙ্গোলীয় গোষ্ঠীৰ বিভিন্ন শাখা-প্ৰশাখা দক্ষিণ-পূব এছিয়াত সিঁচৰতি হৈ আছে। তেওঁলোকৰ ভাষা আৰু সংস্কৃতিও বেলেগ বেলেগ। এই গোষ্ঠীৰ বিভিন্ন ভাষিক-সাংস্কৃতিক গোটৰ শাখা-প্ৰশাখা ইতিহাসৰ বেলেগ বেলেগ সময়ত অসমলৈ এনেভাৱে সোমাই আহিছিল। এই গোষ্ঠীৰ দুটা প্ৰধান ডাল—তিব্বেতো-বৰ্মান আৰু টাই-চীন। তিব্বেতো-বৰ্মান ঠালৰ তিনিটা ডাল—তিব্বত-হিমালয়, উত্তৰ অসম আৰু অসম-ব্ৰহ্ম। টাই-চীন ঠালৰ দুটা ডাল—খামটি-ফাকিয়াল আৰু টাই শ্যান।

তিব্বেতো-হিমালয় শাখাৰপৰা উদ্ভৱ হৈছে ভোট আৰু তিব্বতী প্ৰশাখা। উত্তৰ অসমৰপৰা উদ্ভৱ হৈছে—মিচিং, মিচিমি, আদি, নিশি আদি; আৰু অসম-ব্ৰহ্ম শাখাৰপৰা উদ্ভৱ হৈছে—বড়ো, নগা আৰু কুকিচীন। নগাৰপৰা আও আৰু লোথা আৰু কুকিচীনৰপৰা কুকি আৰু মণিপুৰীৰ উৎপত্তিৰ কথা কোৱা হৈছে। বড়ো নামটো এটা বহল নাম। এই শাখাৰে প্ৰশাখাসমূহৰ ভিতৰত বড়ো, ৰাভা, ডিমাচা, গাৰো, তিৱা, কাৰবি, কছাৰী আৰু কোঁচসকলক ধৰা হয়।

অসমীয়া জাতি গঠনত এই বিশাল মঙ্গোলীয় ফৈদৰ অৱদান কম নহয়। আহোমসকলো এই বিশাল ফৈদৰে এটা প্ৰশাখা।

এইকেইটা জনগোষ্ঠীৰ উপৰিও আলপাইনসকলৰ এটা ডালে খৃঃ পূঃ কেইবাশতিকাতে ব্ৰহ্মপুত্ৰ উপত্যকালৈ প্ৰব্ৰজন কৰিছিল। অসমৰ প্ৰাচীন ব্ৰাহ্মণ, কলিতা আৰু কায়স্থসকলৰ লগত এওঁলোকৰ সম্পৰ্ক থাকিব পাৰে। তদুপৰি দ্ৰাবিড়সকলৰ এটা ঠাল আহিও মিহলি হৈ গৈছিল। অসমৰ কলিতাসকলৰ একাংশ আৰু কৈৱৰ্তসকলৰ একাংশৰ মাজত দ্ৰাবিড় ঠালৰ নৃ-তাত্ত্বিক পৰিচয়ৰ কিছু লক্ষণ থাকিব পাৰে।

কিন্তু আগতে উল্লেখ কৰাৰ দৰে কোনো এটা গোষ্ঠীৰ মাজতে সম্পূৰ্ণ নৃ-তাত্ত্বিক বিশিষ্টতা অকলশৰীয়াকৈ পোৱা নাযায় ; বৰং সকলো জনগোষ্ঠীতে এটি মিশ্ৰিত ৰূপহে দেখা যায়। অসমৰ ইছলামধৰ্মী-সকলৰ ক্ষেত্ৰতো একে কথাই খাটে। তদুপৰি ব্ৰিটিছৰ আগমনৰ পিছত ভাৰতৰ বিভিন্ন ৰাজ্যৰপৰা অহা লোকৰো অনেকে অসমীয়া জাতিৰ অন্তৰ্ভুক্ত হৈ পৰিল। চাহ-বাগিচাত কাম কৰিবলৈ অহা বনুৱা-সকলো এনেভাৱেই অসমীয়া জাতিৰ অবিচ্ছেদ্য অঙ্গত পৰিণত হ'ল।

'অসম'ৰ আৰু 'অসমীয়া' মানুহৰ পৰিচয় সেইবাবে এটি সংমিশ্ৰিত উপাদানৰ সুদৃঢ় বুনিয়াদৰ ওপৰত প্ৰতিষ্ঠিত। ৰবীন্দ্ৰনাথ ঠাকুৰৰ ভাষা ধাৰ কৰি ক'বলৈ হ'লে—

হেথায় আৰ্য হেথা অনাৰ্য হেথায় দ্ৰাবিড় চীন,
শক হুনদল পাঠান মোগল একদেহে হল লীন।